No. of Printed Pages—3

**79 (SS)**

**[ 16–HRAGDA–M3 ]**

**MA 3rd Semester Exam., 2016**

## ASSAMESE

[ MAS (S3) 09 ]

**( সাহিত্য সমালোচনা )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ অতি চমু উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০টা শব্দৰ ভিতৰত) : ২×৫=১০

(ক) ধ্বনিৰ প্ৰকাৰভেদৰ কথা ক'বলৈ হ'লে প্ৰাথমিকভাৱে কোনকেইটা ধ্বনিৰ কথা উল্লেখ কৰা হয় ?

(খ) কবিতাত প্ৰতীক বুলি ক'লে কি বুজে ?

(গ) আৰ্ণল্ডে কবিতা সম্পৰ্কে কি বুলি মন্তব্য কৰিছিল ?

(ঘ) নাটক সম্পৰ্কে নান্দিকেশ্বৰে প্ৰদান কৰা সংজ্ঞাটো উল্লেখ কৰক।

(ঙ) 'কাব্য নাটক' বুলিলে কি বুজে ?

(চ) উপন্যাসৰ 'প্লট' বুলি ক'লে কি বুজে ?

২। তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১৫০টা শব্দৰ ভিতৰত) : ৪×৩=১২

(ক) সঞ্চাৰীভাব সম্পৰ্কে এটি টোকা লিখক।

(খ) 'কাব্য বক্ৰতা' মানে কি ?

(গ) চুটিগল্পৰ চৰিত্ৰ কেনে হোৱা উচিত বুলি আপুনি বিবেচনা কৰে ?

(ঘ) সমালোচনাৰ ক্ষেত্ৰত এজন সমালোচকৰ ভূমিকা সম্পৰ্কে আলোচনা আগবঢ়াওক।

৩। তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২৫০টা শব্দৰ ভিতৰত) : ৬×৩=১৮

(ক) ৰস সম্পৰ্কে অভিনৱ গুপ্তই আগবঢ়োৱা মতামতটো বা মতবাদটো সম্পৰ্কে বহলাই আলোচনা কৰক।

(খ) 'অত্যন্ততিৰস্কৃত বাচ্যধ্বনি' সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰক।

(গ) কাব্যৰ বিভিন্ন উপাদান সম্পৰ্কে বক্ৰোক্তি জীবিতকাৰে আগবঢ়োৱা মতামতসমূহৰ বিষয়ে বহলাই আলোচনা কৰক।





(ঘ) চ্যুৰৰ ভাষাবিজ্ঞান চিন্তাচৰ্চাই কেনেদৰে সংযুতিবাদ, উত্তৰসংযুতিবাদ আৰু নিৰ্গঠনবাদৰ দৰে নব্যতাত্ত্বিক ধাৰণা প্ৰতিষ্ঠাত সহায় কৰিছিল সেই বিষয়ে এটি আভাস দিয়ক।

৪। তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০০টা শব্দৰ ভিতৰত) : ১০×৪=৪০

(ক) ধ্বনিৰ স্বৰূপ কেনে—সেই বিষয়ে প্ৰাচ্য সমালোচকসকলে আগবঢ়োৱা মতামত বিচাৰ কৰি এটি প্ৰবন্ধ লিখক।

(খ) কবিতাৰ ভাষা কেনেকুৱা হোৱা উচিত বুলি আপুনি বিবচেনা কৰে, বহলাই লিখক।

(গ) নাটকৰ কাহিনী আৰু চৰিত্ৰ সম্পৰ্কে বহলাই আলোচনা আগবঢ়াওক।

(ঘ) আধুনিক উপন্যাস কাক বোলে, বহলাই আলোচনা কৰক। এই শ্ৰেণীৰ উপন্যাসত কথকতাৰ ভূমিকা কি সেই বিষয়েও বিশ্লেষণ আগবঢ়াব।

(ঙ) চুটিগল্পৰ সৈতে সাহিত্যৰ আন আন বিভাগসমূহৰ এটি তুলনামূলক আলোচনা প্ৰস্তুত কৰক।

★★★